প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

### এমজিএনৰেগাত বিত্তীয় খেলি-মেলি

# পাঁচটা উন্নয়ন খণ্ডৰ গাণনিকক নিলম্বন

# পাঁচগৰাকী খণ্ড উন্নয়ন বিষয়াক কাৰণ দৰ্শোৱাৰ জাননী

**গুৱাহাটী ২ জুলাই ঃ** মহাত্মাগান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (এমজিএনৰেগা)ৰ অধীনত আয়ুক্তৰ নিৰ্দেশনা অমান্য কৰি বিত্তীয় খেলিমেলি কৰাৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত হেমেন দাসে আজি ৰাজ্যৰ পাঁচটা উন্নয়ন খণ্ডৰ গাণনিক কেইগৰাকীক তৎকালীনভাৱে বলবৎ হোৱাকৈ নিলম্বন কৰিছে। গাণনিক কেইগৰাকী ক্ৰমে কাৰ্বি আংলং জিলাৰ লুম্বাজং উন্নয়ন খণ্ডৰ উইলছন ক্ৰ’, কোকৰাঝাৰৰ গোসাইগাঁও উন্নয়ন খণ্ডৰ ৰঞ্জিত কুমাৰ নাৰ্জাৰী, বৰ্তমান মৰিগাঁৱৰ মায়ং উন্নয়ন খণ্ডৰ গাণনিক ৰূপে কতৰ্ব্যৰত অশোক শইকীয়া, ওদালগুৰি জিলাৰ ৰৌতা আৰু ওদালগুৰি উন্নয়ন খণ্ডৰ গাণনিক ক্ৰমে হৰেন্দ্ৰ কলিতা আৰু ছামিদ আলী।

আনহাতে, এই বিত্তীয় খেলিমেলিৰ পৰিপ্ৰেক্ষিতত উল্লেখিত উন্নয়ন খণ্ড কেইটাৰ খণ্ড উন্নয়ন বিষয়া কেইগৰাকীলৈও কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰা হৈছে। খণ্ড উন্নয়ন বিষয়া কেইগৰাকী ক্ৰমে মিতালী কাথাৰপি, বিমলা বৰগয়াৰী, জুৰি শইকীয়া, ছোখেম্‌লি বড়ো আৰু মদন বৰ্মন।

*এম আৰ ডি/২-০৭-২০২০*

Press Release

Panchayat and Rural Development, Assam

**Financial Irregularities under MGNREGA**

**5 Accountants suspended**

**Show cause notice served to 5 BDOs**

**Guwahati, July 2:** Accountants of five Development Blocks have been suspended today by Hemen Das, Commissioner, Panchayat and Rural Development, with immediate effect due to financial irregularities under MRNREGA violating the office instruction. The Accountants are Wilson Kro, Lumbajong Dev. Block, Karbi Anglong; Ranjit Kr. Narzary of Gossaigaon Dev. Block, Kokrajhar; Ashok Saikia, Mayong Dev.Block of Morigaon district; Harendra Kalita and Samid Ali of Rowta and Udalguri Dev. Block of Udalguri district respectively.

At the same time, the Block Development Officers (BDOs) of the said Dev. Blocks have also been issued show cause notice due to the irregularities. The BDOs are Mitali Katharpi, Bimala Borgayari, Juri Saikia, Sokhemly Bodo and Madan Barman respectively.

*MRD/2-7-2020*